Assam State Disaster Management Authority

# হাট- বজাৰ/দৈনিক আৰু সাপ্তাহিক বজাৰৰ ক্ষেত্ৰত মানিব লগীয়া নিয়মাৱলী

কোভিড- ১৯ সংকট আৰু ইয়াৰ বৰ্ধিত সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত দৈনিক, সাপ্তাহিক বজাৰ তথা অন্যান্য হাট- বজাৰৰ কমিটি/স্থানীয় প্ৰশাসন আৰু লেছী সকলে নিম্নোক্ত নিয়মাৱলী সমুহ কঠোৰ ভাবে পালন কৰিব যাতে এই নিয়মাৱলীৰ জৰিয়তে সামাজিক দুৰত্ব তথা পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখি সম্ভাব্য দুৰ্য্যোগৰ পৰা পৰিত্ৰাণ পাব পৰা যায়।

জিলা প্ৰশাসন, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, পৌৰনিগম নিকায়ৰ কাৰ্যবাহী বিষয়া সকলে এই নিয়মাৱলী সমুহ বজাৰ কমিটি, স্থানীয় প্ৰশাসন আৰু লেছী সকলৰ দ্বাৰা নিখুঁতভাবে কাৰ্য্যকৰী কৰিব।

বজাৰ কমিটি, স্থানীয় প্ৰশাসন আৰু লেছী সকলে দোকানী তথা অন্যান্য বিক্ৰেতা সকলে এই নিয়মাৱলী সমুহ পালন কৰাতো বাধ্যতামুলক কৰিব।

## ১। দৈনিক আৰু সাপ্তাহিক বজাৰ পৰিচালনাৰ ক্ষেত্ৰত লেছী সকলে মানিব লগীয়া নিয়মাৱলী সমূহ:

ক) বজাৰ কমিটি/স্থানীয় প্ৰশাসন আৰু লেছীসকলে ৰাজ্য চৰকাৰ/জিলা প্ৰশাসনৰ তৰফৰ পৰা সময়ে সময়ে জাৰী কৰা বজাৰ খোলাৰ দিন-বাৰ, লকডাউন ইত্যাদি বিষয়ক নীতি নিৰ্দেশনা পালন কৰাটো সুনিশ্চিত কৰিব।

খ) বজাৰ কমিটি, স্থানীয় প্ৰশাসন আৰু লেছী সকলে দৈনিকভাৱে বজাৰ খোলাৰ আগত আৰু বন্ধ কৰাৰ পাছত বজাৰ স্থান চেনিটাইজ কৰিব লাগিব।

গ) বজাৰ কমিটি, স্থানীয় প্ৰশাসন আৰু লেছী সকলে মাইকৰ জৰিয়তে হাট-বজাৰৰ প্ৰৱেশ আৰু প্ৰস্থান পথত মানিব লগীয়া নিয়মাৱলী সমূহ সঘনাই ঘোষণা কৰাতো সুনিশ্চিত কৰিব।

ঘ) বজাৰ কমিটি, স্থানীয় প্ৰশাসন আৰু লেছী সকলে হাট-বজাৰৰ প্ৰৱেশ আৰু প্ৰস্থান পথত সকলোৰে দৃষ্টি গোচৰ হোৱাকৈ নিয়মাৱলী ফলক / বেনাৰ আগতীয়াকৈ আঁৰি থব।

ঙ) বজাৰ কমিটি, স্থানীয় প্ৰশাসন আৰু লেছী সকলে একেটা সময়তে বহু মানুহ বজাৰত প্ৰৱেশৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰিব। ট'কেন/ টাইম- কাৰ্ড ব্যৱহাৰৰ জৰিয়তে মানুহৰ সমাগম নিয়ন্ত্ৰণ কৰিব।

চ) দুখন দোকান/ দুজন বিক্ৰেতাৰ মাজৰ ব্যৱধান ন্যুনতম ১.৫ মিটাৰত কৈ কম হব নোৱাৰিব।

ছ) শাৰীপাতি/ বিশেষ চিহ্ন ব্যৱহাৰ আদিৰ জৰিয়তে সামাজিক দুৰত্ব ৰক্ষা কৰি বজাৰৰ ভিৰ নিয়ন্ত্ৰণ কৰিব লাগিব।

জ) হাট-বজাৰলৈ অহা প্ৰতিজন ব্যক্তিয়ে বজাৰৰ প্ৰৱেশ আৰু প্ৰস্থান স্থলত যাৱতীয় নিয়মাৱলী মানি চলাতো বাধ্যতামুলক।

ঝ) বজাৰ কমিটি, স্থানীয় প্ৰশাসন আৰু লেছী সকলে হাট-বজাৰৰ প্ৰৱেশ আৰু প্ৰস্থান স্থলত স্বেচ্ছা-সেৱক নিয়োগ কৰি সামাজিক দূৰত্ব বজাই ৰখাতো সুনিশ্চিত কৰিব।

ঞ) হাট-বজাৰ সমুহৰ যাৱতীয় স্থানত হাত ধোৱাৰ বাবে পৰ্য্যাপ্ত পৰিমাণে চাবোন আৰু পানীৰ ব্যৱস্থা কৰিব লাগিব।

ট) সংশ্লিস্ত বিভাগ/ বিষয়াই হাট-বজাৰত আৰু ৰাজহুৱা স্থানত থু- খেকাৰ পেলোৱা ব্যক্তিক জৰিমনা বিহাৰ ব্যৱস্থা কৰিব।

## ২। হাট-বজাৰত সোমোৱাৰ সময়ত মানি চলিব লগীয়া নিয়মাৱলী সমূহ:

ক) কোনো ধৰণৰ ৰোগৰ লক্ষণ নথকা ব্যক্তিকহে বজাৰত প্ৰবেশ কৰিবলৈ দিয়া হ'ব।

খ) হাট-বজাৰলৈ অহা প্ৰতিজন ব্যক্তিয়ে বজাৰত প্ৰৱেশ কৰাৰ আগতে লেছীয়ে ব্যৱস্থা কৰি থোৱা চাবোন পানীৰে হাত ধোৱাৰ ব্যৱস্থা থাকিব।

গ) বজাৰ সমূহত ৰাইজৰ চকুত পৰা কৈ কোভিড-১৯ ৰ সংক্ৰমনৰ পৰা ৰক্ষা পোৱাৰ বিধি তথা পৰামৰ্শ সম্বলিত পোষ্টাৰ/ ফলক লগাই ৰাখিব৷ হাট-বজাৰ সমূহত নিৰ্দিষ্ট কিছুমান স্থানত সঘনাই কোভিড-১৯ ৰ সচেতনতা বিষয়ক দৃশ্য সম্বলিত পৰামৰ্শাৱলী সঘনাই বজাব লাগিব৷

ঘ) হাট-বজাৰলৈ অহা প্ৰতিজন ব্যক্তিয়ে বাধ্যতামূলক ভাবে মাস্ক পৰিধান কৰিব লাগিব অন্যথা এই বিধি অমান্য কৰিলে জৰিমনাৰ সন্মুখীন হ'ব লাগিব৷

ঙ) হাট-বজাৰত জন সাধাৰণৰ তথা ক্ৰেতা সকলৰ মাজত ন্যুনতম ১ মিটাৰৰ সামাজিক দূৰত্ব থাকিব লাগিব৷ ক্ৰেতা সকলক ১ মিটাৰ সামাজিক দূৰত্ব বজাই ৰাখি শাৰী পাতি বজাৰ কৰিবলৈ উপদেশ দিব লাগিব৷

চ) বজাৰলৈ গ'লে ব্যক্তি সকলে ঘৰৰ পৰাই কপোৰৰ বেগ বা মোনা লগত লৈ আহিব লাগিব৷ বজাৰত পলিথিন বা প্লাষ্টিক বেগ ব্যৱহাৰ নিষিদ্ধ থকিব৷

ছ) হাট-বজাৰ তথা ৰাজহুৱা স্থানত ব্যৱহৃত মাস্ক পেলাই দিয়াতো নিষিদ্ধ আৰু দণ্ডনীয় কাৰ্য্য বুলি গণ্য কৰা হব।

জ) ৰাজহুৱা স্থান, বজাৰ আদিত থু-খেকাৰ পেলোৱাতো নিষিদ্ধ আৰু দণ্ডনীয় বুলি গণ্য কৰা হব।

ঝ) ৬৫ বছৰৰ ওপৰৰ ব্যক্তি, ১৩ বছৰৰ তলৰ শিশু, গৰ্ভাৱতী মহিলা তথা ৰোগ-ব্যাধিত আক্ৰান্ত ব্যক্তিয়ে হাট বজাৰত অহাৰ পৰা বিৰত থাকিব৷

ঞ) কাহ-হাচি মৰাৰ ক্ষেত্ৰত যথাবিধি তেনে ব্যক্তিয়ে নিজৰ নাক মুখ টিচু পেপাৰ/ ৰুমাল/ হাত কিলাকুটি ৰে ঢাকিব আৰু ব্যৱহৃত টিচু পেপাৰ যথা স্থানতহে বৰ্জন কৰিব৷

ট) সকলো বিক্ৰেতা তথা দোকানীয়ে, হেণ্ড-গ্লোভচ আৰু এলক'হল যুক্ত হেণ্ড চেনিটাইজাৰ ব্যৱহাৰ কৰিব৷ খুচুৰা পইচা তথা নোট বিক্ৰেতা জনক ঘুৰাই দিয়াৰ আগতে চেনিটাইজ কৰি লব৷

## ৩৷ হাট-বজাৰৰ পৰা প্ৰস্থানৰ সময়ত মানি চলিব লগীয়া নিয়মাৱলী সমূহ:

ক) বজাৰ কৰি যোৱা ব্যক্তিজন প্ৰস্থান পথত লেচীয়ে নিয়োগ কৰা ব্যক্তিৰ হাতত তেখেতৰ ট'কেন / টাইম- কাৰ্ড খন ঘুৰাই লব৷

খ) গাড়ী থোৱা স্থান, বজাৰৰ বাহিৰৰ স্থান সমূহতো জন সমাগম নিয়ন্ত্ৰণ আৰু সামাজিক দূৰত্ব বজাই ৰখাৰ ব্যৱস্থা কৰিব লাগিব৷

গ) ব্যৱহৃত মাস্ক / হেণ্ড-গ্লোভচ বৰ্জনৰ বাবে, বজাৰৰ বাহিৰত ঢাকনী থকা ডাষ্টবিন ৰ ব্যৱস্থা কৰিব লাগিব৷

ঘ) যথোপযুক্ত স্থানত বজাৰৰ পৰিসীমা তথা মানুহৰ সমাগমৰ ওপৰত ভিত্তি কৰি শৌচালয় আৰু প্ৰস্ৰাৱগাৰৰ ব্যৱস্থা কৰিব লাগিব৷

ঙ) শৌচালয় আৰু প্ৰস্ৰাৱগাৰত পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখিব লাগিব৷

চ) হাট-বজাৰৰ পৰা বিশেষকৈ শাক-পাচলি আদি সামগ্ৰীৰ বাবে জমা হোৱা আৱৰ্জনা নিষ্কাশনৰ কাৰণে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব৷

(বিঃ দ্ৰঃ ১৷ এই নিয়মাৱলী সমূহ হাট-বজাৰ পুনৰ খোলা ঘোষণাৰ পাছত তথা হাট-বজাৰ খোলাৰ চৰকাৰী নিৰ্দেশনাৰ পাছতহে প্ৰযোজ্য হব।

২৷ এই নিয়মাৱলী সমূহ অমান্য কৰাজনৰ বিৰুদ্ধে সংশ্লিস্ত বিভাগ/ বিষয়াই ভাৰতীয় দুৰ্য্যোগ ব্যৱস্থাপনা আইন, ২০০৫ ৰ অনুচ্ছেদ ৫১-৬০ ৰ অধীনত বিহিত ব্যৱস্থা গ্ৰহণ কৰিব৷)

*--অসম ৰাজ্যিক দুৰ্য্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত৷*